# পুনৰ সংস্থাপন আঁচনিৰ সংক্ষিপ্ত তথ্য

**Summary Resettlement Plan for Tranche-1**
**Document Stage: Draft for Consultation**
**Project Number: TA 7096 - IND**
**May 2009**

## ভাৰতবৰ্ষ ঃ অসমৰ শক্তি খণ্ডত কাৰ্য্যক্ষমতা বৃদ্ধিৰ প্ৰস্তুতি।

অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ।
অসম চৰকাৰ।

**The resettlement framework is a document of the borrower. The views expressed herein do not necessarily represent those of ADB's Board of Directors, Management or Staff and may be preliminary in nature**

## List of Acronyms

| | |
|---|---|
| ADB | Asian Development Bank |
| AP | Affected Persons |
| DC | District Collector |
| DDP | Desert Development Program |
| DSM | Demand Side Management |
| EA | Executing Agency |
| ESMU | Environment and Social Management Unit |
| FGD | Focus Group Discussions |
| GoA | Government of Assam |
| GoI | Government of India |
| GRC | Grievance Redress Committee |
| IA | Implementing Agency |
| IRM | India Resident Mission |
| LAA | Land Acquisition Act 1894, as Amended in 1984 |
| LAO | Land Acquisition Officer |
| M&E | Monitoring and Evaluation |
| MTFF | Multi-Trance Financing Facility |
| MRM | Management Review Meeting |
| NGO | Non-Government Organizations |
| NRRP | National Rehabilitation and Resettlement Policy, 2007 |
| PMU | Project Management Unit |
| RF | Resettlement Framework |
| RP | Resettlement Plan |
| SC | Scheduled Castes |
| SIA | Social Impact Assessment |
| SRP | Short Resettlement Plan |
| ST | Scheduled Tribes |

# ১. আঁচনিৰ বিষয়বস্তু

১. এক বহুমূখী ঋণ প্ৰদান ব্যৱস্থা **(MTFF)** ৰ অন্তৰ্গত প্ৰস্তাৱিত আঁচনিখন কাৰ্য্যকৰী কৰা হব। শক্তি উন্নয়নৰ এই আঁচনিখনৰ জৰীয়তে নিম্নোক্তধৰনে কম কাৰ্বনৰ সহায়ত শক্তি খণ্ডৰ উন্নতি ঘটোৱাৰ প্ৰয়াস চলোৱা হব।

ক. পৰিবহন আৰু বিতৰণ ব্যৱস্থা **(Transmission and Distribution Network)** ৰ পৰিবহন ক্ষমতা বৃদ্ধিৰ লগতে পৰিবহন ব্যয় ৰোধ কৰা হব।

খ. বিদ্যুৎ উৎপাদনকাৰী গোটসমূহৰ উৎপাদন ক্ষমতা বৃদ্ধিৰ লগতে চাহিদাৰ ক্ষেত্ৰ খনৰ বাবেও বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হব। অসম ৰাজ্যিক বিদ্যুৎ পৰিষদেই হল আঁচনিখনৰ মূল কাৰ্য্যকৰী সংস্থা।

২. ৰাজ্যৰ শক্তিখণ্ডক পৰ্য্যাপ্ত বিনিয়োগ কৰিবলৈ অসম চৰকাৰে ভাৰত চৰকাৰৰ জৰীয়তে **Asian Development Bank (ADB)** ক এটা **Multi Tranche Financing Facility (MTFF)** ৰ বাবে অনুৰোধ জনায়। এই বিনিয়োগ আঁচনিখনে পৰিবহন, বিতৰন আৰু শক্তিৰ গুনাগুনক প্ৰতক্ষ ভাৱে আৰু **Management Information System (MIS)** ক পৰোক্ষভাৱে সামৰি লব। উন্নত মানদণ্ডৰ বিদ্যুৎ উৎপাদন, পৰিবহন ব্যৱস্থা আৰু বিতৰনৰ ভৱিষ্যতে লব লগা আঁচনি সমূহক পৰ্যায় ক্ৰমে সামৰি লব। **Asian Development Bank (ADB)** য়ে বৰ্তমান বিনিয়োগ কৰিব লগা আঁচনি সমূহ এনেধৰনৰ ঃ

ক) উন্নত মানৰ আৰু নিৰ্ভয়যোগ্য মানদণ্ডৰ বিদ্যুৎ যোগান ধৰা

খ) পৰিবহন ব্যৱস্থাৰ সৰলীকৰণ কৰা।

গ) বিদ্যুৎ উৎপাদনৰ পৰা বিতৰনলৈকে সম্পূৰ্ণ প্ৰক্ৰিয়াটোত হৈ থকা বিদ্যুৎৰ অপব্যয় ৰোধ কৰা।

ঘ) পূৰ্বতে **ADB** ৰ সৈতে প্ৰস্তুত কৰা উন্নতিকৰন প্ৰক্ৰিয়া **(Reform Agenda)** খনেই এই আঁচনিৰ মূল ভিত্তি হব আৰু আশা কৰা হৈছে যে কোনো বিনিয়োগকাৰী দীৰ্ঘম্যাদী আঁচনি হাতত লৈ আগবাঢ়ি আহিব।

## ১.১ পুনৰ সংস্থাপন আঁচনিৰ গঠণ

সম্পূৰ্ণ **MTFF** ৰ বাবে এটা পুনৰ সংস্থাপন আঁচনি প্ৰস্তুত কৰা হৈছে। এই পুনৰ সংস্থাপন আঁচনি ভৱিষ্যতৰ কোনো উপ-আঁচনিৰ বাবে প্ৰয়োজনীয়। পুনৰ সংস্থাপন **(RP)** আঁচনিৰ বাবে যাবতীয় পুনৰ সংস্থাপন পৰিকাঠাম/পৰিকল্পনা **(RF)** পদ্ধতিগতভাবে তৈয়াৰ কৰা হৈছে যাক হয়তো ভৱিষ্যতে অনুদান সম্পৰ্কীয় উপ-আঁচনিৰ বাবে আৱশ্যক হব। ভূমি অধিগ্ৰহণ, ক্ষতিপূৰণ আদিৰ বাবে প্ৰয়োজনীয় উদ্দেশ্য, নীতি, পদ্ধতি আদি ইয়াত অন্তৰ্ভুক্ত কৰা হৈছে যাৰ দ্বাৰা ক্ষতিগ্ৰস্থ লোক কোনো অসুবিধাৰ সন্মুখীন নহয়।

# ২. আঁচনিখনৰ আইনগত দিশ

ভূমি সংক্ৰান্তীয় সকলো কামৰ ভিত্তি হব **The Land Acquisition Act, 1894 (LAA, amended in 1984)** আৰু **The National Rehabilitation and Resettlement Policy, 2007 (NRRP)** আৰু **ADB's Policy on Involuntary Resettlement, 1995.** চৰকাৰ আৰু এ.ডি.বি ৰ পুনৰ সংস্থাপন আঁচনিখনৰ মূল বিষয় সমূহ সংক্ষিপ্তভাবে তলত উল্লেখ কৰা হল ঃ

### ২.১ চৰকাৰৰ আঁচনি

**২.১.১** ৰাষ্ট্ৰীয় পুনৰ সংস্থাপন আৰু পুনৰ উত্থান আঁচনি ২০০৭ **(NRRP) (Ministry of Rural Development, Department of Land Resources)** ঃ উন্নয়ন সম্পৰ্কীয় পুনৰ সংস্থাপন ব্যৱস্থাক আগত ৰাখি ভাৰত চৰকাৰে ৩১ অক্টোবৰ ২০০৭ এই ৰাষ্ট্ৰীয় পুনৰসংস্থাপন আৰু পুনৰউত্থান আঁচনি, ২০০৭ **(NRRP, 2007)** প্ৰৱৰ্তন কৰে। সমাজৰ উমৈহতীয়া স্বাৰ্থত যেতিয়া কোনো ব্যক্তিক স্থানান্তৰ কৰা তেতিয়া তেনে ব্যক্তিৰ যাতে প্ৰয়োজনীয় মৌলিক অধিকাৰ খৰ্ব কৰা নহয় সেই উদ্দেশ্যেৰে এই আঁচনিখন গ্ৰহণ কৰা হয়। ৰাজ্য চৰকাৰ, ৰাজহুৱা খণ্ডৰ প্ৰতিস্থান বা আন কোনো সংস্থাই ইচ্ছা কৰিলে **NRRP, 2007** য়ে নিৰ্ধাৰণ কৰা নিৰিখতকৈ অধিক নিৰিখত পুনৰসংস্থাপন কৰিব পাৰে। যদি কোনো লোকক অনিবাৰ্য্য কাৰন বসত স্থায়ীভাৱে স্থানান্তৰিত কৰিব লগা হয় তেন্তে এই আঁচনি অনুসৰি ওপৰত উল্লেখ কৰা ধৰণে সাহাৰ্য্য পাব। আঁচনিখনৰ মূল বিষয় সমূহ তলত উল্লেখ কৰা হল ঃ

১. যিমান সম্ভব স্থানান্তৰন কমকৈ কৰা অথবা স্থানান্তৰনৰ বিপৰীতে অন্য কোনো বিকল্প ব্যৱস্থা গ্ৰহণ কৰা।

২. ক্ষতিগ্ৰস্থ পৰিয়াল সমূহক উপযুক্ত ক্ষতিপূৰণ আৰু তাৎক্ষণিক পুনৰ সংস্থাপনৰ ব্যৱস্থা গ্ৰহণ কৰা।

৩. স্পৰ্শকাতকৰ, সামাজিক ভাবে পিচপৰা, যেনে - অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি আৰু লোকসকলৰ পুনৰসংস্থাপন প্ৰক্ৰিয়াত বিশেষ ব্যৱস্থা গ্ৰহণ কৰা

৪. উন্নত মানৰ জীৱন ধাৰনৰ বাবে ক্ষতিগ্ৰস্থ পৰিয়াল সমূহক উপযুক্ত আয়ৰ ব্যৱস্থা গ্ৰহণ কৰা।

৫. সংস্থাপিত লোকসকলক সমাজৰ উন্নতিৰ বিধান সমূহ অবগত কৰাই সেই উন্নয়নৰ কাৰ্য্যসূচী সমূহ কাৰ্য্যকৰী কৰোৱা।

৬. ভূমি অধিগ্ৰহণৰ ক্ষেত্ৰত দুয়োপক্ষৰ পাৰস্পৰিক বুজাবুজি সুনিশ্চিত কৰা।

এই ৰাষ্ট্ৰীয় পুনৰ সংস্থাপন আৰু পুনৰ উথান আচঁনি ২০০৭ **(NRRP, 2007)** খন ভৈয়ামত ৪০০ পৰিয়ালৰ অধিক, পাহাৰীয়া, জনজাতি বসতিপ্ৰধান বা মৰুভূমি অঞ্চলত ২০০ পৰিয়ালৰ অধিক স্থানান্তৰিত কৰিবলগা হলে প্ৰযোজ্য হব। অৱশ্যে মৌলিক নিয়মৰ কাৰ্য্যকৰী কৰনত সংখ্যা মানি চলা নহয়। আচঁনি ৰূপায়নত আৰ্থিকভাবে ক্ষতিগ্ৰস্থ পৰিয়াল সমূহৰ ওপৰত যাতে বিষম প্ৰভাৱ নপৰে আচঁনিখনত এই বিষয়টোত চকু ৰখা হৈছে। তথাপিও স্থাৱৰ সম্পতি অধিগ্ৰহনৰ ক্ষেত্ৰত **LAA 1894** মানি চলা হয়।

**২.১.২ ভূমি অধিগ্ৰহণৰ আইন ১৮৯৪ (সংশোধন ১৯৮৪)**

এই আইনখনত ভূমি অধিগ্ৰহণৰ নিয়মাৱলী সমূহ উল্লেখ কৰা হৈছে। ই দেশৰ ৰাজ্য চৰকাৰ সমূহক ৰাজহুৱা স্বাৰ্থত ব্যক্তিগত ভূমি অধিগ্ৰহণৰ অধিকাৰ প্ৰদান কৰিছে। অৱশ্যে ক্ষতিগ্ৰস্থ লোক অধিগ্ৰহণৰ আগতে আদালতৰ কাষ চাপিব পাৰিব। **LAA** ১৮৯৪ মুখ্য বিষয় সমূহঃ

১. অধিগ্ৰহণৰ বাবে চিনাক্ত কৰা স্থান **LAA** ১৮৯৪ ৰ ৪ৰ্থ ধাৰাত অন্তৰ্ভুক্ত হয়। পোনপ্ৰথমে এখন জাননী দিব লাগিব। কোনো আপত্তি থাকিলে জাননী দিয়াৰ ৫০ দিনৰ ভিতৰত উপায়ুক্তৰ ওচৰত আপত্তি দৰ্শাব লাগিব।

২. জাননী দিয়াৰ পিছত চিনাক্ত কৰা ভূমি ধাৰা নং ৬১ ত অন্তৰ্ভুক্ত হব। ইয়াৰ জৰীয়তে উপায়ুক্তক সেই ভূমি অধিগ্ৰহণৰ দায়িত্ব দিয়া হয় আৰু তেতিয়া মাটি টুকুৰা ৯ নং ধাৰাত অন্তৰ্ভুক্ত হয়। মাটিৰ মালিক পক্ষক মাটি আৰু ইয়াৰ দাম সম্ পৰ্কে তেওঁলোকৰ মত ব্যক্ত কৰিবলৈ আদালতলৈ আমন্ত্ৰণ কৰা হয়। ১১ নং ধাৰা অনুসৰি জিলা উপায়ুক্তই এবছৰৰ ভিতৰত উপযুক্ত ক্ষতিপুৰণ ঘোষণা কৰিব অন্যথা অধিগ্ৰহণ পদ্ধতি বন্ধ হব।

৩. ক্ষতিপূৰণ মূল্যৰ ক্ষেত্ৰত কাৰোবাৰ আপত্তি থাকিলে ক্ষতিপূৰণ ঘোষণাৰ ছয়সপ্তাহৰ ভিতৰত (ধাৰা ১৮) জিলা উপায়ুক্তক আবেদন কৰিব পাৰিব যাতে ক্ষতিপূৰণৰ ক্ষেত্ৰত আদালতে শেষ ৰায়দান কৰিব পাৰে।

৪. ৪ নং ধাৰাত অন্তৰ্ভুক্ত ভূমি কিনা বেচা বা হস্তান্তৰিত কৰিব নোৱাৰিব।

৫. ঘৰ, মাটি আদিৰ ক্ষতিপূৰণৰ নগদ পৰিমানৰ ধন **Project Authority** য়ে ৰাজ্য চৰকাৰক জমা দিব আৰু ৰাজ্য চৰকাৰে সেই ধন আক্ৰান্ত সকলক দিব।

৬. কৃষি ভূমি অধিগ্ৰহণৰ ক্ষেত্ৰত কৃষিৰ বিক্ৰীমূল্য বিগত তিনি বছৰৰ গড় হিচাপত নিৰূপন কৰা হয় আৰু এই মূল্য জিলা পঞ্জীয়কৰ কাৰ্য্যালয়ত নিৰ্দ্ধাৰন কৰা থাকে। এই ক্ষতিপূৰণ ভূমি অধিগ্ৰহণৰ পিচতহে প্ৰদান কৰা হয়। ইয়াৰ বাবে দুইৰ পৰা তিনিবছৰ সময়ৰ আৱশ্যক হয়। তাৰোপৰি নিৰ্দ্ধাৰিত মূল্যৰ ৩০% যোগ দি বছৰত ১২% মূল্যবৃদ্ধিৰ বিপৰীতে প্ৰদান কৰা হয়। এই হিচাপ ক্ষতিপূৰণ ঘোষণাৰ দিনৰ পৰা কাৰ্য্যকৰী হব (৯ নং ধাৰা সন্নিবিষ্ট হোৱাৰ পিছত) আৰু বছৰি ৯% হাৰত প্ৰথম বছৰত আৰু বছৰি ১৫% হাৰত পিচৰ সময়খিনিৰ বাবে ওপৰিঞ্চি ধন আদায় দিব লাগিব।

**২.১.২ ভূমি অধিগ্ৰহণৰ (সংশোধন) আইন ২০০৭**

ভূমি অধিগ্ৰহণ কেৱল ৰাজহুৱা স্বাৰ্থত চৰকাৰৰ অনুমোদন সাপেক্ষে কৰা হয়। আইনখনে ভূমি অধিগ্ৰহণৰ বাবে ঃ

১. নৌসেনা, বায়ুসেনা আৰু স্থলসেনাৰ লগত জড়িত বিষয়বোৰৰ ক্ষেত্ৰত।

২. ৰাজহুৱা স্বাৰ্থ জড়িত কাৰ্য্য বা অন্য কোনো  কাৰ্য্যৰ বাবে যত ৭০ % মাটিৰ গৰাকী বিক্ৰিৰ বাবে আগ্ৰহী। বৰ্তমানে ব্যক্তিগত ভূমিও ৰাজহুৱা খণ্ডৰ কামৰ বাবে অধিগ্ৰহণ কৰা হয়।

৩. ভূমি অধিগ্ৰহণৰ ফলত যদি সমতল অঞ্চলৰ ৪০০ পৰিয়াল, পাহাৰীয়া বা জনজাতি অধ্যুক্ষিত অঞ্চলৰ ২০০ পৰিয়াল ক্ষতিগ্ৰস্ত হয় তেন্তে চৰকাৰে সামাজিক প্ৰকাৰৰ ওপৰত পৰ্য্যালোচনা চলাব লাগিব, যি স্থানান্তৰনৰ বাবে হব পৰা পৰিনাম, জনজাতি কল্যান আঁচনি আৰু আন্তগাঠনি উন্নতকৰনক সামৰি লব।

৪. ২০০৭ অধিগ্ৰহণৰ আইনখনে ক্ষতি, অধিগ্ৰহণ মূল্য, অধিগ্ৰিহিত ভূমি আৰু পুনৰ সংস্থাপন মূল্য, আন্তগাঠনি আদিক সামৰি লব। এই খৰচ সমূহ অধিগ্ৰহণকৰীয়ে বহন কৰিব লাগিব।

৫. আয়ুক্তজনে ভূমি অধিগ্ৰহণৰ বিতং প্ৰণালী আৰু অধিগ্ৰহণ মূল্য ৰাজহুৱা ভাবে জনাব লাগিব।

৬. মূল আইনখনত আয়ুক্তজনে ভূমিৰ বৰ্তমানৰ মূল্যৰ ওপৰত ভিত্তি কৰি ক্ষতিপূৰণ নিৰ্দ্ধাৰন কৰিব। আইনখনে আয়ুক্তজনক সৰ্ব্বাধিক মূল্যতঃ

১. অঞ্চলটোৰ ভূমিৰ নুন্যতম মূল্য  নিৰ্দ্ধাৰন কৰিব (Indian Stamp Act, 1899)

২. অঞ্চলটোৰ ভূমিৰ গড় বিক্ৰী মূল্যৰ ৫০ % অধিক মূল্য।

৩. অঞ্চলটোত প্ৰকল্পটোৰ বাবে ক্ৰয় কৰা  ভূমিৰ মূল্যৰ ৫০ % অধিক মূল্য আৰু প্ৰকল্পটোৰ বাবে ক্ষতি হোৱা উদ্ভিদ, শষ্য আদিৰ ক্ষতিপূৰণ সামৰি লব লাগিব। ভূমি কিনা বেছা নিষিদ্ধ অঞ্চলৰ ক্ষেত্ৰত চৰকাৰে ইয়াৰ মূল্য নিৰ্দ্ধাৰন কৰিব।

৭. মূল আইনখনত ইচ্ছুক ব্যক্তি মানে যিসকলে ক্ষতিপূৰণ দাবী কৰে তেওঁলোকক সামৰি লোৱা হৈছে।

৮. অধিগৃহিত মাটিৰ মূল্য অধিগ্ৰহণৰ এবছৰৰ ভিতৰত প্ৰদান কৰিব লাগিব। আয়ুক্তজনে মাহে ৫ % হাৰত জৰিমনাসহ এই সময় ছমাহলৈ বৃদ্ধি কৰিব পাৰিব। মূল্য নিৰ্দ্ধাৰনৰ ৬০ দিনৰ ভিতৰত মূল্য প্ৰদান কৰিব লাগিব। সম্পূৰ্ণ মূল্য প্ৰদান নকৰাকৈ মাটি অধিগ্ৰহণৰ কৰিব নোৱাৰিব।

৯. বৰ্ত্তমান ভূমি অধিগ্ৰহণ সম্পৰ্কীয় গোচৰ সমূহ নিষ্পত্তিৰ বাবে নিম্ন আদালতলৈ প্ৰেৰণ কৰা হয়।

**২.২ ADB ৰ অনিচ্ছাকৃত পুনৰসংস্থাপন আঁচনি ১৯৯৫**

**ADB** য়ে ঋণ প্ৰদানৰ ক্ষেত্ৰত পুনৰসংস্থাপন সম্ পৰ্কীয় তিনিটা প্ৰধান নিয়ম মানি চলে ঃ

ক. ক্ষতিহোৱা সামগ্ৰী পুনৰ উদ্ধাৰ, উপাৰ্জন আৰু জীৱন ধাৰনৰ মান।

খ. পুনৰ সংস্থাপনৰ ক্ষেত্ৰ নিৰ্বাচনত সহায় কৰা আৰু

গ. পুনৰ সংস্থাপনৰ পিছত পূৰ্বৰ অৱস্থাত উপনীত হোৱাত সহায় কৰা।

**পুনৰ সংস্থাপনৰ আৱশ্যক হোৱা ADB ৰ যিকোনো প্ৰকল্প তৈয়াৰ কৰোতে পুনৰ সংস্থাপনক অধিক গুৰুত্ব দিয়া হয়। এনে ধৰণৰ প্ৰকল্প সমূহত নিম্নোক্ত ধৰণে গুৰুত্ব দিয়া হয় ঃ**

১. পুনৰসংস্থাপনৰ পৰা বিৰত থকা।

২. যত পুনৰসংস্থাপনৰ আৱশ্যক, তেনেক্ষেত্ৰত পুনৰসংস্থাপন পৰাপক্ষত এৰাই চলা বা যিমান পাৰি কমকৈ কৰা।

৩. প্ৰকল্পৰ কাৰ্যকৰণৰ ফলত উদ্ভৱ হোৱা যি কোনো ক্ষতিৰ বাবে ক্ষতিপূৰণ প্ৰদান কৰা। ক্ষতিপূৰণ স্থানান্তৰন মূল্যৰ ওপৰত ভিত্তি কৰি প্ৰদান কৰা।

৪. যি সমূহ গৃহৰ মূল ব্যক্তি মহিলা, বৃদ্ধ বা শৰীৰিক ভাবে বাধাগ্ৰস্থ তেনে লোকৰ প্ৰতি বিশেষ গুৰুত্ব প্ৰদান কৰা।

৫. পুনৰসংস্থাপনৰ বাবে হোৱা সকলো খৰচ মূল প্ৰকল্পত প্ৰতিফলন কৰা। পুনৰসংস্থাপিত সকলক পূৰ্বৰ অৱস্থা প্ৰাপ্তিত সম্ভৱপৰ সকলো প্ৰকাৰৰ সহায় প্ৰদান কৰা।

৬. প্ৰকল্পৰ কাৰ্যকৰণৰ ফলত হোৱা ক্ষতিগ্ৰস্থ সকলক সম্পূৰ্ণ ভাবে অৱগত কৰা আৰু তেওঁ লোকৰ লগত যোগাযোগ ৰক্ষা কৰা।

৭. প্ৰকল্পৰ কাৰ্যকৰণৰ ফলত হোৱা ক্ষতিগ্ৰস্থ সকলক সামাজিক আৰু অৰ্থনৈতিক ভাবে সহায় কৰা যাতে সামাজিক ভাৰসাম্য/মিলাপ্ৰীতি ৰক্ষাৰ ক্ষেত্ৰত তেওঁলোকৰ ওপৰত কোনোধৰণৰ বিৰূপ প্ৰতক্ৰিয়াৰ সৃষ্টি নহয়।

৮. পিয়লৰ দ্বাৰা ক্ষতিগ্ৰস্থ সকলক অতি সোনকলে চিনাক্ত কৰি সংস্থাপিত কৰি অনাধিকাৰ/অবৈধ প্ৰৱেশ ৰোধ কৰা।

৯. স্পৰ্শকাতৰ বিষয় যিসকলৰ সম্পত্তিৰ মালিকীস্বত্বৰ কোনো বৈধ নথিপত্ৰ নাই, পৰিয়ালৰ মূৰব্বী যদি মহিলা, বৃদ্ধ বা শাৰীৰিক ভাবে অক্ষম বা খিলঞ্জীয়া হয় তেনে ক্ষেত্ৰত তেওঁলোকক সামাজিক আৰু অৰ্থনৈতিক ভাবে সংস্থাপিত হোৱাত সহায় কৰিব লাগিব।

১০. পুনৰ সংস্থাপনৰ সম্পুৰ্ণ ব্যয় প্ৰকল্পৰ মুঠ ব্যয়ত প্ৰতিফলন ঘটাব লাগিব।

### ২.৩ ADB ৰ পুনৰসংস্থাপন আঁচনি আৰু ৰাষ্ট্ৰীয় পুনৰ সংস্থাপন আঁচনিৰ তুলনা

ভাৰতত সু-সংগঠিত/প্ৰণালীবদ্ধ পুনৰ সংস্থাপনৰ ক্ষেত্ৰত **NRRP** য়ে উল্লেখযোগ্য ভূমিকা পালন কৰে। **LAA, 1894** য়ে ৰাজহুৱা কাৰ্য্যৰ বাবে কৰা ভূমি অধিগ্ৰহণৰ ক্ষেত্ৰত কিছুমান নীতি নিৰ্দেশনা প্ৰদান কৰিছে।

## ৩. পুনৰসংস্থাপন আঁচনিৰ চৰ্ত নিৰ্ধাৰণ আৰু গঠন প্ৰণালী (Resettlement Framework Principles and Entitlements)

যিকোনো আঁচনি বা উপ-আঁচনি কাৰ্য্যকৰী কৰোতে ভাৰতীয় ভূমি অধিগ্ৰহণ আইন, পুনৰ সংস্থাপন আঁচনি আৰু **ADB** ৰ নিশ্চিত পুনৰ সংস্থাপন আঁচনি ১৯৯৫ আধাৰত তলৰ নিৰ্দেশনা সমূহ মানি চলা হয়।

৩.১ আঁচনিৰ ৰূপায়নৰ পৰিকল্পনা কৰাৰ সময়ত বীমা আদি গ্ৰহণ কৰাৰ লগতে অনান্য দিশ সমূহ চালি জাৰি চাব লাগিব।

৩.২ যত কোনো বিকল্প নাথাকে তেনে ক্ষেত্ৰত সময় নিৰ্ধাৰিত পুনৰ সংস্থাপন আঁচনি হাতত লৈ সেই মতে ক্ষতিগ্ৰস্থক ক্ষতিপূৰণ দিব লাগিব, যাতে তেওঁলোকৰ পূৰ্বৰ জীৱন ধাৰনৰ মান অটুট থাকে।

৩.৩ ক্ষতিপূৰণ সম্পৰ্কে ক্ষতিগ্ৰস্থ সকলৰ লগত আলোচনা কৰি, প্ৰস্তাবিত আঁচনিখনত তেওঁলোকৰ সহযোগিতা নিশ্চিত কৰি তেওঁলোকক আৰ্থিকভাৱে সহায়ৰ ব্যৱস্থা কৰা।

৩.৪ স্পৰ্শকাতৰ বিষয় সমূহত বিশেষ গুৰুত্ব দিয়া।

৩.৫ অনাধিকাৰ ভাবে বসবাস কৰা লোকৰ সম্পত্তিৰ স্থানান্তৰণৰ খৰচ বহন কৰা।

৩.৬ কোনো কোনো ক্ষেত্ৰত ভূমি অধিগ্ৰহণৰ আগতে অথবা কাম আৰম্ভ কৰাৰ আগতে ক্ষতিপূৰণ প্ৰদান কৰা।

৩.৭ উপাৰ্জন ও পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰা।

৩.৮ অভিযোগ গ্ৰহণ আৰু সেই সমূহ নিৰাময়ৰ ব্যৱস্থা কৰা।

এনেকুৱা আঁচনি ৰূপায়নৰ সময়ত তিনিধৰনৰ বাধা আহিব পাৰে, যি সমূহ অতি সোনকালে সমাধান কৰাটো আৱশ্যক,

ক. সম্পত্তিৰ ক্ষতি (মাটি, ঘৰ ইত্যাদি)

খ. উপাৰ্জনৰ ক্ষতি

গ. কোনো স্থানৰ ৰাজহুৱা সম্পত্তি বা জীৱিকাৰ উমৈহতিয়া ক্ষতি। প্ৰত্যেক ক্ষেত্ৰতে অধিগ্ৰহণ যথাসম্ভৱ কমকৈ কৰাৰ ব্যৱস্থা কৰিব লাগে।

বিদ্যুৎ পৰিবাহী লাইন নিৰ্ম্মানৰ সময়ত পুনৰ সংস্থাপনৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ক্ষতিৰ বিপৰীতে ঠাইতে ক্ষতিপূৰণ প্ৰদানৰ ব্যৱস্থা কৰিব লাগে। মেৰামতিৰ সময়ত হোৱা অস্থায়ী ক্ষতিৰ বিপৰীতে ঠাইতে ক্ষতিপূৰণ প্ৰদানৰ ব্যৱস্থা কৰিব লাগে।

## ৪. স্বত্বাধিকাৰ সম্পৰ্কীয় আচঁনিৰ নক্সা।

ক্ষতিপূৰণৰ পৰিমান আৰু এই ক্ষতিপূৰণ সমূহ ক্ষেত্ৰ বিশেষে কেনেধৰনৰ হব সেইবিষয়ে তলৰ তালিকা অনুসৰি পদক্ষেপ লোৱা হব।

| ক্ৰমিক নং | ক্ষয় ক্ষতিৰ প্ৰকাৰ | ভূমিৰ ব্যৱহাৰ | স্বত্বাধিকাৰীৰ সূত্ৰ | স্বৰ্ত সমূহ |
|---|---|---|---|---|
| ১ | ব্যক্তিগত ভূমিৰ ক্ষতি | কৃষি ভূমি, গৃহ নিৰ্ম্মানৰ ভূমি, অ-ব্যৱহৃত ভূমি | মাটিৰ স্বত্ব কোনো গ্ৰহণযোগ্য চৰকাৰী বা বেচৰকাৰী অনুস্থানে আগবঢ়োৱা ব্যক্তি | ১. সুবিধা সাপেক্ষে মাটিৰ মূল্য প্ৰদান।<br>২. পৰিয়ালে প্ৰতি ১০,০০০.০০ (দহ হাজাৰ) টকাকৈ পুনৰ সংস্থাপনৰ বাবে আৰ্থিক অনুদান।<br>৩. গৃহ পৰিৱৰ্তনৰ বাৱে সাহাৰ্য্য প্ৰদান (প্ৰতি গৃহত ১০,০০০.০০ টকা)।<br>৪. মাটিৰ উৎপাদনৰ (কৃষি ভূমিৰ) ওপৰত ভিত্তি কৰি ৩ মাহৰ নিম্নতম মজুৰি প্ৰদান।<br>৫. বিশেষভাবে অসমৰ্থবান লোকক অতিৰিক্ত ক্ষতিপূৰন প্ৰদান।<br>৬. বতৰৰ খেতি চপাবলৈ জাননী দিয়া অন্যথা সেই খেতিৰ বাবদ উপযুক্ত সাহাৰ্য্য প্ৰদান। |
| | | | মাটিৰ ভাৰাতীয়া বা লীজ প্ৰাপ্ত ব্যক্তি | ১. ভাৰা বা ম্যাদ উকলি নোযোৱা লীজৰ পৰিমানৰ বিপৰীতে নগদ ক্ষতিপূৰণ<br>২. কৃষি ভূমিৰ উৎপাদনৰ ওপৰত ভিত্তি কৰি ৩ মাহৰ নিম্নতম মজুৰি প্ৰদান।<br>৩. বিশেষভাবে অসমৰ্থবান লোকক অতিৰিক্ত ক্ষতিপূৰন প্ৰদান।<br>৪. বতৰৰ খেতি চপাবলৈ জাননী দিয়া অন্যথা সেই খেতিৰ বাবদ উপযুক্ত সাহাৰ্য্য প্ৰদান। |
| | | | আধিলোৱা খেতি | ১. বতৰৰ খেতি চপাবলৈ জাননী দিয়া অন্যথা সেই খেতিৰ বাবদ উপযুক্ত সাহাৰ্য্য প্ৰদান।<br>২. বিশেষভাবে অসমৰ্থবান লোকক অতিৰিক্ত ক্ষতিপূৰন প্ৰদান। |
| ২ | চৰকাৰী ভূমিৰ পৰা উচ্ছেদৰ ফলত হোৱা ক্ষতি | অ-ব্যৱহৃত ভূমি, কৃষি ভূমি বসবাস আৰু কৰা ভূমি | লীজ প্ৰাপ্ত ব্যক্তি | ১. লীজৰ ম্যাদ উকলি নোযোৱা অৱস্থাত লীজৰ বিপৰীতে জমা ধনৰ ওপৰত ক্ষতিপূৰণ।<br>২. কৃষি ভূমিৰ উৎপাদনৰ ওপৰত ভিত্তি কৰি ৩ মাহৰ নিম্নতম মজুৰি প্ৰদান।<br>৩. পৰিয়ালে প্ৰতি ১০,০০০.০০ (দহ হাজাৰ) টকাকৈ পুনৰ সংস্থাপনৰ বাবে আৰ্থিক অনুদান।<br>৪. বতৰৰ খেতি চপাবলৈ জাননী দিয়া অন্যথা সেই খেতিৰ বাবদ উপযুক্ত সাহাৰ্য্য প্ৰদান।<br>৫. বিশেষভাবে অসমৰ্থবান লোকক |

| ক্ৰমিক নং | ক্ষয় ক্ষতিৰ প্ৰকাৰ | ভূমিৰ ব্যৱহাৰ | স্বত্বাধিকাৰীৰ সূত্ৰ | স্বৰ্ত সমূহ |
|---|---|---|---|---|
| | | | | অতিৰিক্ত ক্ষতিপূৰন প্ৰদান। |
| | | | ভূমিৰ বেদখলকাৰী | ১. বেদখলকাৰীক আতঁৰি যাবৰ বাবে আগতীয়া জাননী প্ৰদান।<br>২. কৃষি ভূমিৰ উৎপাদনৰ ওপৰত ভিত্তি কৰি ৩ মাহৰ নিম্নতম মজুৰি প্ৰদান।<br>৩. বিশেষভাবে অসমৰ্থবান লোকক অতিৰিক্ত ক্ষতিপূৰন প্ৰদান। |
| | | | বে-আইনী দখলকাৰী | ১. বেদখলকাৰীক আতঁৰি যাবৰ বাবে আগতীয়া জাননী প্ৰদান।<br>২. কৃষি ভূমিৰ উৎপাদনৰ ওপৰত ভিত্তি কৰি ৩ মাহৰ নিম্নতম মজুৰি প্ৰদান।<br>৩. বিশেষভাবে অসমৰ্থবান লোকক অতিৰিক্ত ক্ষতিপূৰন প্ৰদান। |
| ৩ | আৱাসিক ভূমিৰ ক্ষতি | চাৰিসীমা ঘেৰি লোৱা বা গৃহ নিৰ্মান কৰা বা কুৰাঁ আদি নিৰ্মানৰ বাবে ব্যৱহৃত ভূমি | বিধিসন্মত স্বত্বাধিকাৰী | ১. স্থানান্তৰিত ভূমি আৰু সম্পত্তিৰ মূল্য।<br>২. সম্পত্তিৰ লগত জড়িত যিকোনো কৰ বা মাচুলৰ সম্পূৰ্ণ মূল্য।<br>৩. স্থানান্তৰ কৰনত সহায় হিচাপে কমেও ১০,০০০.০০ টকাৰ আৰ্থিক অনুদান।<br>৪. ঘৰ বা অনান্য সম্পত্তিৰ যিমান পাৰি ক্ষয় ক্ষতি ৰোধ কৰা।<br>৫. বিশেষভাবে অসমৰ্থবান লোকক অতিৰিক্ত ক্ষতিপূৰন প্ৰদান। |
| | | | ভাৰাতীয়া বা কোনো স্থানৰ লীজ প্ৰাপ্ত ব্যক্তি | ১.. ভুক্তভোগীয়ে সাজি লোৱা ঘৰ বা আন কোনো নিৰ্মানৰ বিপৰীতে সম্পূৰ্ণ ক্ষতিপূৰণ।<br>২. লীজৰ ম্যাদ উকলি নোযোৱা অৱস্থাত লীজৰ বিপৰীতে জমাধনৰ ওপৰত ক্ষতিপূৰণ।<br>৩. স্থানান্তৰ কৰনত সহায় হিচাপে কমেও ১০,০০০.০০ টকাৰ আৰ্থিক অনুদান।<br>৪. ঘৰ বা অনান্য সম্পত্তিৰ যিমান পাৰি ক্ষয় ক্ষতি ৰোধ কৰা।<br>৫. বিশেষভাবে অসমৰ্থবান লোকক অতিৰিক্ত ক্ষতিপূৰন প্ৰদান। |
| | | | বেদখলকাৰী | ১. ঘৰ, সম্পত্তিৰ সম্পূৰ্ণ মূল্য।<br>২. স্থানান্তৰ কৰনত সহায় হিচাপে কমেও ১০,০০০.০০ টকাৰ আৰ্থিক অনুদান।<br>৩. বচাব পৰা সা-সম্পত্তি বচোৱাৰ পূৰ্ণ অধিকাৰ। |
| ৪ | ব্যৱহায়িক স্থানৰ ক্ষতি | ব্যৱহায়িক স্থান আৰু সা-সম্পতি | বিধিসন্মত স্বত্বাধিকাৰী | ১. আস্থান (সম্পূৰ্ণ, অ-সম্পূৰ্ণ বা আংশিক) তথা অনান্য সা-সম্পত্তিৰ সম্পূৰ্ণ মূল্য। |

| ক্ৰমিক নং | ক্ষয় ক্ষতিৰ প্ৰকাৰ | ভূমিৰ ব্যৱহাৰ | স্বত্বাধিকাৰীৰ সূত্ৰ | স্বৰ্ত সমূহ |
|---|---|---|---|---|
| | | | | ২. মাচুল, কৰ আৰু অন্যান্য যাৱতীয় খৰচৰ সম্পূৰ্ণ মূল্য।<br>৩. এককালীন আৰ্থিক সাহাৰ্য্য (প্ৰতি নিৰ্ম্মানৰ বিপৰীতে ২৫,০০০.০০ টকা)।<br>৪. বচাব পৰা সা-সম্পত্তি বচোৱাৰ পূৰ্ণ অধিকাৰ।<br>৫. বিশেষভাবে অসমৰ্থবান লোকক অতিৰিক্ত ক্ষতিপূৰন প্ৰদান। |
| | | | ভাৰাতীয়া বা লীজ প্ৰাপ্ত ব্যক্তি | ১. সা-সম্পত্তিৰ (সম্পূৰ্ণ, অ-সম্পূৰ্ণ বা আংশিক) উপযুক্ত মূল্য প্ৰদান।<br>২. ভাৰা বা ম্যাদ উকলি নোযোৱা অৱস্থাত লীজৰ জমাধনৰ বিপৰীতে ক্ষতিপূৰণ।<br>৩. এককালীন আৰ্থিক সাহাৰ্য্য (প্ৰতি নিৰ্ম্মানৰ বিপৰীতে ২৫,০০০.০০ টকা)।<br>৪. স্থানান্তৰ কৰনত সহায় হিচাপে প্ৰতি ঘৰলৈ প্ৰতি নিৰ্ম্মানৰ বাবদ ১০,০০০.০০ টকাৰ আৰ্থিক অনুদান।<br>৫. ঘৰ বা অনান্য সম্পত্তিৰ যিমান পাৰি ক্ষয় ক্ষতি ৰোধ কৰা।<br>৬. বিশেষভাবে অসমৰ্থবান লোকক অতিৰিক্ত ক্ষতিপূৰন প্ৰদান। |
| | | | বেদখলকাৰী | ১. কোনো নিৰ্ম্মান বা অনান্য সা-সম্পত্তিৰ বিপৰীতে আৰ্থিক ক্ষতিপূৰণ।<br>২. এককালীন আৰ্থিক সাহাৰ্য্য (প্ৰতি নিৰ্ম্মানৰ বিপৰীতে ২৫,০০০.০০ টকা)।<br>৪. স্থানান্তৰ কৰনত সহায় হিচাপে প্ৰতি ঘৰলৈ প্ৰতি নিৰ্ম্মানৰ বাবদ ১০,০০০.০০ টকাৰ আৰ্থিক অনুদান।<br>৫. ঘৰ বা অনান্য সম্পত্তিৰ যিমান পাৰি ক্ষয় ক্ষতি ৰোধ কৰা।<br>৬. বিশেষভাবে অসমৰ্থবান লোকক অতিৰিক্ত ক্ষতিপূৰন প্ৰদান। |
| ৫ | জীৱিকা সম্পৰ্কীয় ভূমি | জীৱিকা উপাৰ্জন | বিধিসন্মত স্বত্বাধিকাৰী/ ভাৰাতীয়া/লীজপ্ৰাপ্ত/অ-স্বত্বাধিকাৰী মাটিত স্থাপিত (ব্যৱসায়ীক প্ৰতিস্থানৰ কৰ্ম্মচাৰী, খেতিয়ক, কৃষি কৰ্ম্মী) | ১. জীৱিকাৰ সাহাৰ্য্য (তিনিমাহৰ নূন্যতম আয়ৰ ভিত্তিত)<br>২. বিশেষভাবে অসমৰ্থবান লোকক অতিৰিক্ত সাহাৰ্য্য প্ৰদান।<br>৩. প্ৰকল্পৰ কোনোধৰনৰ কামৰ বাবে নিযুক্তিত ক্ষতিগ্ৰস্থক অগ্ৰাধিকাৰ দিয়া। |
| ৬ | গছ গছনি আৰু শস্যৰ ক্ষতি | মূল্যবান গছ গছনি আৰু শস্য আদিৰ ক্ষতি | বিধিসন্মত স্বত্বাধিকাৰী/ ভাৰাতীয়া/লীজপ্ৰাপ্ত/আধিয়াৰ কৃষক আৰু বিধিবৰ্হিভূত দখলকাৰী | ১. বতৰৰ খেতি চপাবলৈ জাননী দিয়া অন্যথা সেই খেতিৰ বাবদ বজাৰৰ মূল্য সাপেক্ষে উপযুক্ত ক্ষতিপূৰন প্ৰদান।<br>২. ফল মূল আৰু শস্যাদিৰ বছেৰেকীয়া আয়ৰ বজাৰৰ মূল্য (যিমান বছৰলৈকে |

| ক্ৰমিক নং | ক্ষয় ক্ষতিৰ প্ৰকাৰ | ভূমিৰ ব্যৱহাৰ | স্বত্বাধিকাৰীৰ সূত্ৰ | স্বৰ্ত সমূহ |
|---|---|---|---|---|
| | | | | ফচল উৎপাদন হব পাৰে সেই অনুপাতে) আৰু কোনো গছৰ পৰা যদি কাঠ উৎপাদন কৰিব পৰা যায় সেই কাঠৰ মূল্য চৰকাৰৰ বনবিভাগ আৰু হৰ্টিকালচাৰ (Horticulture) বিভাগৰ লগত আলোচনা কৰি নিৰ্ণয় কৰিব লাগিব। |
| ৭ | ক্ষতিগ্ৰস্থ লোক সকলৰ ওপৰত প্ৰভাৱ | যিকোনো ধৰণৰ প্ৰভাৱ | বিশেষভাবে অসমৰ্থবান লোক | ১. বিশেষভাবে অসমৰ্থবান শ্ৰেণীৰ লোক যেনে অনুসূচীত জনজাতি (ST), অনুসূচীত জাতি (SC) বা পৰিয়ালৰ মূৰব্বী যদি মহিলা, বৃদ্ধ বা শাৰীৰিক ভাবে অক্ষম লোক হয় তেনে ক্ষেত্ৰত এবছৰৰ বাবে অতিৰিক্ত সাহাৰ্য্য প্ৰদান কৰাৰৰ লগতে ১০,০০০.০০ টকাৰ সাহাৰ্য্য প্ৰদান কৰা। |
| ৮ | সাময়িক ভাবে ক্ষতিগ্ৰস্থ লোক | প্ৰকল্প বা উপ-প্ৰকল্পৰ নিৰ্ম্মানৰ বাবে সাময়িক ভাবে আৱশ্যকীয় ভূমি | বিধিসন্মত স্বত্বাধিকাৰী/অ-বিধিসন্মত স্বত্বাধিকাৰী বা ভুক্তভোগী | ১. যিখিনি সময়ৰ বাবে ভূমি অধিগ্ৰহণ কৰা হয় উক্ত সময়ৰ বাবদ উপযুক্ত ভাৰাৰ ব্যৱস্থা কৰা।<br>২. সম্ পত্তিৰ ক্ষয় ক্ষতিৰ পৰিমান নিৰ্ধাৰণ আৰু উপযুক্ত ক্ষতিপূৰণ প্ৰদান কৰা।<br>৩. অধিগৃহিত ভূমিৰ সমপৰ্য্যায়ৰ বা তাতকৈ অধিক ভূমিৰ আৱন্টন দিয়া।<br>৪. বিদ্যুৎ পৰিবাহী লাইনৰ তলত হোৱা শস্যাদিৰ ক্ষতিৰ ক্ষতিৰ বিনিময়ত উপযুক্ত ক্ষতিপূৰণ প্ৰদান কৰি ভৱিষ্যতে সেই ঠাইত খেতি কৰাৰ অনুমতি দিয়া। |
| ৯ | সামূহিক সম্পত্তিৰ ক্ষতি | সামূহিক কৰ্ম্মত ব্যৱহৃত ভূমি | সামূহিক/আঞ্চলিক | ৰাজহুৱা স্বাৰ্থত নিয়োজিত/ব্যৱহৃত যিকোনো সম্পত্তি যেনে - কুৱাঁ, স্কুল, মন্দিৰ, সংঘ আদি যদি অন্য স্থানত নিৰ্ম্মান কৰিব পৰা যায় তেন্তে ভূমি অধিগ্ৰহণৰ আগেয়ে পুনৰ নিৰ্ম্মানৰ ব্যৱস্থা কৰা। |
| ১০ | অন্য কোনো ক্ষতি যাক পূৰ্বানুমান কৰা নাযায়। | | | কোনোধৰনৰ পূৰ্বতে অনুমান নকৰা ক্ষয় ক্ষতি সন্তেদ পালে সেইবোৰ চিনাক্ত কৰি পুনৰ সংস্থাপন আচঁনিৰ অধীনত উপযুক্ত পৰিমানৰ ক্ষতিপূৰণ প্ৰদান কৰা। |

## ৫. পুনৰ সংস্থাপন আচঁনি প্ৰস্তুত কৰনৰ নিয়মাৱলী

৫.১. কাৰ্য্যকাৰী সংস্থাৰ (ASEB) আচঁনি নিৰীক্ষণকাৰী গোটৰ (PMU) অধীনত থকা কাৰ্য্যকাৰীকৰণ সংস্থাবোৰ ভালদৰে চালিজাৰি চাই পুনৰ সংস্থাপন আচঁনি প্ৰস্তুত কৰিব লাগিব। আচঁনিখন অভিযান্ত্ৰিক দৃষ্টিকোনৰ পৰাও শুদ্ধ হব লাগিব। আচঁনিখন ৰূপায়নৰ ফলত সমাজত পৰিব পৰা সকলো ক্ৰিয়া প্ৰতিক্ৰিয়াৰ বিষয়ে বিতং ভাৱে মূল্যাংকন

কৰাটো প্ৰতিটো উপ-আচঁনিৰ বাবে জৰুৰী। সমগ্ৰ পুনৰ সংস্থাপন প্ৰক্ৰিয়াটোৰ ক্ষয়-ক্ষতি সম্পৰ্কে পূৰ্বে ক্ষতিয়ান লোৱাটো আচঁনি প্ৰস্তুতকৰনৰ এটা প্ৰধান বিষয়।

৫.২. উপ-আচঁনিৰ কাৰ্য্যকৰীকৰনৰ প্ৰত্যেক ক্ষেত্ৰৰে লোকপিয়ল আৰু জৰীপ কৰিব লাগিব আৰু এই জৰীপে সকলো ক্ষতিগ্ৰস্থ লোককে সামৰি লব লাগিব যাৰ ফলত অঞ্চলটোৰ লোকৰ বৈশিষ্ট তথা তেওঁলোকৰ আৰ্থিক অৱস্থা ও উপ-আচঁনিৰ কাৰ্য্যকৰীকৰনৰ ফলত হব পৰা ক্ষয় ক্ষতিৰ তথ্য পোহৰলৈ আহিব।

৫.৩. জৰীপ ভালদৰে কৰিলেহে অঞ্চলটোৰ ক্ষতিগ্ৰস্থ সকলৰ সামাজিক, অৰ্থনৈতিক পৰিস্থিতিৰ বিতং তথ্য পোৱা যাব। এই জৰীপত অঞ্চলটোৰ জনবসতিৰ পুৰুষ মহিলাৰ সংখ্যাৰ ওপৰত লিংগভিত্তিক বিতং তথ্য পোৱা যায়।

৫.৪. পুনৰসংস্থাপন আচঁনি প্ৰস্তুত কৰোতে ওপৰত উল্লেখ কৰা সকলো পৰিসংখ্যা চালি জাৰি চাব লাগিব।

৫.৫. অনিচ্ছা স্বত্বেও কৰিব লগা হোৱা পুনৰসংস্থাপনৰ ফলত কেতিয়াবা কোনো বিশেষ বাধা আহিলে ক্ষতিগ্ৰস্থসকলক লগত ৰাখি পুনৰসংস্থাপন আচঁনি প্ৰস্তুত কৰিব লাগে। এই পুনৰসংস্থাপন আচঁনি সকলো পিয়ল আৰু জৰীপৰ ফলাফলৰ ওপৰত নিৰ্ভৰ কৰিব। পুনৰসংস্থাপন আচঁনি তলত দিয়া ধৰনে গঠন কৰিব লাগে -

- ৫.৫.১ চিনাক্ত কৰা মাটিৰ খতিয়ান।
- ৫.৫.২ সামাজিক, অৰ্থনৈতিক তথ্য।
- ৫.৫.৩ আচঁনিৰ উদ্দেশ্য, গঠণ, আকৃতি আৰু গৰাকীৰ স্বৰ্ত।
- ৫.৫.৪ লিংগভিত্তিক বিষয়।
- ৫.৫.৫ বন্ধুত্বপূৰ্ণ বুজাবুজিৰ লগতে তেওঁলোকৰ প্ৰয়োজনীয়তা সম্ পৰ্কে বিতং তথ্য আহৰণ।
- ৫.৫.৬ ওজৰ আপত্তি নিষ্পতিৰ বাবে এটি বিশেষ শাখা স্থাপন কৰা।
- ৫.৫.৭ নতুন ঘৰ প্ৰদান কৰাৰ লগতে ক্ষয় ক্ষতিৰ বোজাৰ পৰা গৰাকীপক্ষক ৰেহাই দিয়া।
- ৫.৫.৮ ক্ষতিপূৰণ প্ৰদান কৰাৰ লগতে উপাৰ্জনৰ ব্যৱস্থা কৰা।
- ৫.৫.৯ পুনৰসংস্থাপনৰ বাবে প্ৰয়োজনীয় পুজিৰ ব্যৱস্থা কৰি তাৰ হিচাপ ৰখাৰ ব্যৱস্থা কৰা।
- ৫.৫.১০ পুনৰসংস্থাপনৰ সময়সূচী নিৰ্ধাৰন কৰা।
- ৫.৫.১১ আচঁনি সমূহৰ ৰূপায়নৰ ক্ষেত্ৰত নিৰীক্ষণ আৰু মূল্যাংকন কৰা।

৫.৬. যদি অনিচ্ছা স্বত্বেও কৰা পুনৰ সংস্থাপনৰ বিশেষ বাধা নাথাকে, তেনে ক্ষেত্ৰত ক্ষতিগ্ৰস্থ সকলৰ লগত আলোচনা কৰি এটি চমু পুনৰ সংস্থাপন আচঁনি প্ৰস্তুত কৰা হয়। চমু পুনৰ সংস্থাপন আচঁনি, সম্পূৰ্ণ পুনৰ সংস্থাপন আচঁনিৰ দৰেই যদিই এইক্ষেত্ৰত বিশেষ তথ্য পাতিৰ প্ৰয়োজন নহয়। তথাপিও ক্ষতিগ্ৰস্থ সকলক ক্ষতিপূৰণ প্ৰদানৰ ক্ষেত্ৰত কোনো ধৰনৰ শিথিলতা নাথাকে তাৰ নিশচয়তা প্ৰদান কৰিব লাগিব।

৫.৭. PMU এ ADB ৰ পুনৰ সংস্থাপন সম্পৰ্কীয় কামৰ লগত জড়িত কোনো বিশেষজ্ঞক পৰামৰ্শৰ বাবে নিযুক্তি দিব পৰিব। এইদৰে প্ৰস্তুত কৰা পুনৰ সংস্থাপন আচঁনি NRRP, ২০০৯ সমপৰ্য্যায়ৰ হব লাগিব। কাৰ্য্যকৰী সংস্থা (ASEB) ই PMU ৰ বাবে ধনৰ যোগান নিশ্চিত কৰিব লাগিব। কাম আৰন্তন দিয়াৰ আগতে পুনৰ সংস্থাপন সম্পৰ্কীয় আচঁনি সমূহৰ ADB ৰ অনুমোদন লব লাগিব আৰু ক্ষতিগ্ৰস্থ সকলক স্থানান্তৰনৰ আগতে ক্ষতিপূৰণ প্ৰদান কৰিব লাগিব। কোনো ক্ষেত্ৰত পলম হলেও নিৰ্ম্মান কাৰ্য্য আৰম্ভ কৰাৰ আগতে ক্ষতিগ্ৰস্থ সকলক ক্ষতিপূৰণ প্ৰদান কৰিব লাগিব।

## ৬. প্ৰতিস্থানীয় ব্যৱস্থাপনা

৬.১ প্ৰস্তাবিত **MFF** ৰ অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ কাৰ্য্যবাহী সংস্থা আৰু ইয়াৰ অধীনস্থ পৰিবহন আৰু বিতৰন কোম্ পানী সমূহ কাৰ্য্যকৰী সংস্থা। অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ বৰ্তমান কাৰ্যকৰী হৈ থকা **PMU** যি **ADB Phase-I** কাম কাজ পৰিচালনা কৰিছিল **ADB Phase-II** কাম কাজো তেওঁলোকেই পৰিচালনা কৰিব।

৬.২ **PMU** ৰ অধীনত এখন **Environment and Social Management Unit (ESMU)** ৰ স্থাপনৰ পৰিকল্পনা কৰা হৈছে যত এজন পুনৰ সংস্থাপন আৰু এজন প্ৰাকৃতিক বিশেষজ্ঞ মূৰব্বী হিছাপে থাকিব। **ESMU** ক এজন প্ৰাকৃতিক বিশেষজ্ঞ আৰু এজন সামাজিক আৰু পুনৰ সংস্থাপন বিশেষজ্ঞই সহায় কৰিব। কাৰ্য্যবাহী সংস্থা পুনৰ সংস্থাপৰ পৰিকল্পনা প্ৰস্তুত কৰি ইয়াক কাৰ্য্যকৰী কৰা আৰু পুজিৰ যোগান সম্পৰ্কীয় সকলো কাম কাজ **PMU** পৰিচালনা কৰিব। কাৰ্য্যবাহী সংস্থাই স্থানীয় চৰকাৰ, আনুস্থান-প্ৰতিস্থান আদিক পুনৰ সংস্থাপন সম্পৰ্কীয় আচঁনি সমূহত জড়িত

কৰি ইয়াক বাস্তবায়িত কৰিব। পুনৰসংস্থাপন সম্পৰ্কীয় কামত জড়িত দায়িত্বশীল সংস্থা সমূহ আৰু তেওঁলোকৰ কাৰ্য্য তলত উল্লেখ তৰা হল ঃ

| ক্ৰমিক নং | কাৰ্য্য | দায়িত্ব প্ৰাপ্ত সংস্থা |
|---|---|---|
| A | ১. উপ-আচঁনিৰ প্ৰাৰম্ভিক পৰ্য্যায়। | |
| | **2. Environment and Social Management Unit (ESMU)** স্থাপন আৰু কৰ্ম্মচাৰী নিয়োগ। | **ASEB** |
| | ৩. আচঁনি/উপ-আচঁনিৰ বাবে প্ৰয়োজনীয় স্থান নিৰ্বাচন কৰা। | **ASEB/PMU/IA** |
| | ৪. আচঁনি উপ-আচঁনিৰ বাবে প্ৰয়োজনীয় স্থানৰ চিনাক্তকৰণ আৰু আচঁনি খনৰ বষয়ে ৰাজহুৱা জাননী জাৰী কৰা। | **ASEB/PMU/IA** |
| | ৫. অধিগ্ৰহণৰ বাবে চিনাক্ত কৰা স্থানৰ ক্ষতিগ্ৰস্থ হবলগা ৰাইজৰ লগত আলোচনা কৰা। | **ASEB/ESMU/PMU/IA** |
| B | ১. পুনৰসংস্থাপন আচঁনি প্ৰস্তুত কৰা আৰু সময় সাপেক্ষ নৱীকৰণ কৰা। | |
| | ২. ক্ষতিগ্ৰস্থ সকলৰ লোকপিয়ল আৰু জৰীপৰ কাৰ্য্যকৰীকৰন। | **PMU/ESMU/LAO/IA** |
| | ৩. উক্ত স্থানৰ ৰাইজৰ মাজত পুনৰসংস্থাপন সম্পৰ্কীয় আলোচনাৰ আয়োজন কৰি ৰাইজক অৱগত কৰা। | **PMU/ESMU** |
| | ৪. অধিগ্ৰহন কৰিবলগা স্থানৰ সকলো স্থাৱৰ/অস্থাৱৰ সম্পত্তিৰ মূল্য নিৰূপন কৰা। | **PMU/ESMU/IA** |
| | ৫. ক্ষতিগ্ৰস্থ সকলক বিভন্ন স্বীকৃতিপ্ৰাপ্ত ভাগত ভাগ কৰি সেই অনুসৰি তেওঁলোকৰ স্বৰ্ত নিৰূপন কৰা। | **PMU/ESMU/IA** |
| | ৬. ক্ষতিপূৰণ আৰু পুনৰসংস্থাপন সম্পৰ্কীয় আচঁনি নিৰ্ধাৰন কৰা। | **PMU/ESMU/LAO/IA** |
| | ৭. ক্ষতিগ্ৰস্থ সকলৰ লগত মুকলি ভাৱে আলোচনা কৰি সেইমৰ্ম্মে ভাৱৰ আদান প্ৰদান কৰা। | **PMU/ESMU/IA** |
| | ৮. মাটি সম্পত্তিৰ গৰাকীৰ লগত আলোচনা কৰি ক্ষতিপূৰণৰ পৰিমান নিৰ্ধাৰন কৰা। | **PMU/ESMU/LAO/IA** |
| | ৯. স্বৰ্ত আৰু পুনৰসংস্থাপন আচঁনি নিৰ্ধাৰন কৰা। | **PMU/ESMU/LAO/IA** |
| | ১০. নিৰ্ধাৰন হোৱা স্বৰ্ত আৰু পুনৰসংস্থাপন আচঁনিৰ জাননী জাৰীকৰা। | **PMU/ESMU/IA** |
| | ১১. ক্ষতিগ্ৰস্থ  লোকসকলৰ নামৰ তালিকা অনুমোদন কৰা। | **EA/PMU/ESMU/ADB** |
| | ১২. ন্যায়িক বিক্ৰি পত্ৰত স্বাক্ষৰ আহৰণ আৰু ক্ষতিপূৰণ প্ৰদান কৰা। | **EA/PMU/ESMU/IA/LAO** |
| | ১৩. বিধিগত প্ৰক্ৰিয়াৰে ভূমি অধিগ্ৰহণ কৰা। | **EA/PMU** |
| C | ১. পুনৰসংস্থাপন আচঁনিৰ কাৰ্য্যকাৰীকৰণ পৰ্য্যায়। | **PMU/ESMU/LAO/IA** |
| | ২. নিৰ্ধাৰিত আচঁনি অনুসৰি পুনৰ সংস্থাপনৰ ব্যৱস্থা গ্ৰহণ কৰা। | **PMU/ESMU/LAO/IA** |
| | ৩. পুনৰ সংস্থাপনৰ কাম চলি থকা অৱস্থাত ভুক্তভোগী ক্ষতিগ্ৰস্থ সকলৰ লগত বিভিন্ন আলোচনা বিলোচনা অব্যাহত ৰখা। | **PMU/ESMU/IA** |
| | ৪. ক্ষতিগ্ৰস্থ সকলৰ ওজৰ আপত্তি থাকিলে নিষ্পতিৰ ব্যৱস্থা কৰা। | **PMU/ESMU/GRC/IA** |
| | ৫. অভ্যন্তৰীন নিৰীক্ষণ। | **PMU/ESMU/IA** |
| | ৬. বাহ্যিক নিৰীক্ষণ। | **External Agency** |

**ADB- Asian Development Bank, ASEB- Assam State Electricity Board, AP- Affected Person, EA- Executing Agency, ESMU- Environment and Social Management Unit, FGD- Focus Group Discussion, GRC- Grievance Redress Committee,  IA- Implementing Agency, LAO-Land Acquisition Officer, PMU- Project Management Unit,  RP- Resettlement Plan,**

## ৭. পৰামৰ্শ আহৰণ, জাননী জাৰীকৰণ আৰু বিভিন্ন উজৰ আপত্তি

**৭.১ পৰামৰ্শ আহৰণ ঃ** কোনো এটা পৰিকল্পনা হাতত লোৱাৰ পৰা পৰিকল্পনাটো কাৰ্য্যকৰীকৰণ হোৱালৈকে বিশেষজ্ঞৰ লগত সম্পৰ্ক ৰক্ষা কৰি চলাটো পৰিকল্পনাটোত অংশগ্ৰহণকাৰী সকলো গোটৰ বাবে জৰুৰী। এই বিশেষজ্ঞ কোনো চৰকাৰী বিষয়া বা উক্ত জনসমাজক প্ৰতিনিধিত্ব কৰা কৰা কোনো মুখীয়াল ব্যক্তি বা কোনো ৰাজ্যৰ নিৰ্বাচিত প্ৰতিনিধি হব পাৰে। পৰিকল্পনাৰ উদ্দেশ্য, তাৰ পৰা হব পৰা লাভালাভ আদিৰ লগতে ক্ষয়ক্ষতিৰ বিষয়ে আলোচনা কৰাৰ লগতে পুনৰসংস্থাপন আচঁনিৰ বিষয়ে আলোচনা হোৱাতো জৰুৰী।

ভবিষ্যতৰ উপ-প্ৰকল্প সমূহত আনুস্থানিক আৰু অনানুস্থানিক পৰামৰ্শ সমূহ পূৰণ কৰা হব। লোকপিয়ল আৰু আৰ্থ সামাজিক জৰীপৰ উপৰিও এই প্ৰক্ৰিয়া কেন্দ্ৰীভূত সামূহিক আলোচনাচক্ৰ, জনসভা আদিতে সীমাবদ্ধ নাথাকিব। পৰামৰ্শ আহৰণ প্ৰক্ৰিয়া বিঘ্নতকাৰী গোট সমূহৰ ওপৰত বিশেষভাবে গুৰুত্ব দিয়া হব। পৰামৰ্শ আহৰণ প্ৰক্ৰিয়াত জনসাধাৰনৰ অংশ গ্ৰহণত উৎসাহ যোগাবলৈ কাৰ্য্যক্ৰমৰ সবিশেষ জনসাধাৰনক জনোৱা হব আৰু তেওঁলোকৰ মতামতসমূহ গ্ৰহণ কৰি সেইসমূহ গুৰুত্বসহকাৰে বিচাৰ কৰিব লাগিব।

কাৰ্য্যকৰী সংস্থাই প্ৰভাবিত লোকসকল অথবা অংশীদাৰ সকলক উপ-প্ৰকল্পৰ সবিশেষ, ইয়াৰ প্ৰভাৱ, তেওঁলোকৰ অধিকাৰ আদিৰ বিষয়ে অৱগত কৰা আৰু তেওঁলোকৰ পৰামৰ্শ আহৰণ কাৰ্য্য সুনিশ্চিত কৰি উপ-প্ৰকল্পত তেওঁলোকক সক্ৰিয়ভাবে অংশগ্ৰহণ কৰিবলৈ অনুমতি দিব লাগিব।

পুনৰসংস্থাপন আচঁনি প্ৰস্তুতৰ বাবে অংশ গ্ৰহণকৰী সদস্য সমূহ এনেধৰনৰ ঃ

১. সকলো ক্ষতিগ্ৰস্থ পৰিয়ালৰ সদস্য।
২. আচঁনিৰ কৃতকাৰ্য্যতাৰ লগত জড়িত সকলো ব্যক্তি তথা সংস্থা।
৩. কোনো নিৰ্বাচিত নেতা, ধৰ্ম্মীয় নেতা বা সেই সমাজক প্ৰতিনিধিত্ব কৰা লোক।
৪. স্থানীয় বে-চৰকাৰী অনুস্থান প্ৰতিস্থান আদি।
৫. স্থানীয় চৰকাৰ বা চৰকাৰে নিযুক্তি দিয়া কোনো জনসম্পৰ্ক ৰক্ষাকাৰী চাকৰিয়াল।
৬. কাৰ্য্যকৰী সংস্থা বা নিযুক্তিপ্ৰাপ্ত কোনো বিশেষজ্ঞ।

**৭.২ প্ৰকাশিত বিষয় ঃ** পুনৰ সংস্থাপন আচঁনিৰ পৰিগাঠনি আৰু কোনো উপ-পৰকল্পনা পোন প্ৰথমে চৰকাৰী বিষয়ৰ অৱগত হব। তাৰ পিছত চৰকাৰে বাতৰিকাকতৰ যোগেদি জনসাধাৰনক অৱগত কৰি ভালদৰে আলোচনা কৰিব। আৰু অৱশেষত পুনৰ সংস্থাপন আচঁনিৰ পৰকল্পনা আচঁনিখনৰ লগত জড়িত অনান্য সকলক যোগান ধৰা হব। পুনৰ সংস্থাপন আচঁনি স্থানীয় ভাষালৈ অনুবাদ কৰি আচঁনিৰ লগত জড়িত ক্ষতিগ্ৰস্থ স্থানীয় লোকসকলৰ মাজত বিতৰন কৰা হব। যিবোৰ ঘৰৰ গৰাকী মহিলা তেওঁলোকৰ লগত ভালধৰে আলোচনা কৰি তেওঁলোকে যাতে আচঁনি খনৰ বিষয়ে ভালদৰে বুজি পায় তাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। আৱশ্যক হলে স্থানীয় কোনো মুখিয়াল ব্যক্তিক ইয়াৰ দায়িত্ব প্ৰদান কৰিব লাগিব। পুনৰ সংস্থাপন আচঁনিৰ সৈতে জড়িত কোনো বিষয়ত বাদ বিবাদ হলে শীঘ্ৰে **PMU** ৰ লগত যোগাযোগ কৰি বিহিত ব্যৱস্থা গ্ৰহণৰ ব্যৱস্থা কৰিব লাগে।

**৭.৩ ওজৰ - আপত্তি ঃ** প্ৰক্ষিক্ষণ প্ৰাপ্ত লোক নিয়োগ কৰি ক্ষতিগ্ৰস্থ লোকসকলৰ লগত সম্পৰ্ক কৰা আৰু তেওঁলোকৰ কিবা ওজৰ-আপত্তি থাকিলে সেই সমূহ গ্ৰহণ কৰি নিষ্পতিকৰণৰ বাবে নিষ্পতিকৰণ গোট স্থাপন কৰাৰ ব্যৱস্থা কৰা। ক্ষতিগ্ৰস্থ স্থানীয় লোকসকলৰ ওজৰ-আপত্তি থাকিলে সেইসমূহ পোনপ্ৰথমে কাৰ্য্যকৰী সংস্থাৰ স্থানীয় কাৰ্য্যালয়ত গ্ৰহণ কৰি ওজৰ আপত্তি নিষ্পত্তিকৰণ গোটৰ **(GRC)** লগতে **PMU/ESMU/IA** আৰু আঞ্চলিক ন্যায়াধীশ তথা আয়ুক্তৰ সহায় লৈ নিষ্পতিকৰণৰ ব্যৱস্থা কৰিব লাগে। প্ৰতিমাহে এই সমিতিৰ সদস্যসকল লগ হৈ তেওঁলোকৰ মতামত দাঙি ধৰি ওজৰ-আপত্তিৰ নিষ্পতিকৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব।

## ৮. পুনৰ সংস্থাপন আচঁনিৰ খৰচৰ খতিয়ান আৰু অনুদান বিতৰন আচঁনি

নিশ্চিত পুনৰ সংস্থাপন আচঁনিৰ সম্পূৰ্ণ খৰচৰ হিচাপ **PMU** ৰ দ্বাৰা প্ৰস্তুত কৰা হব। ইয়াত সমূহ উপ-প্ৰকল্পক সামৰি লোৱা হব। খৰচৰ হিচাপ সমূহ তলত দিয়া ধৰনে কৰা হব ঃ

৮.১. ভূমি অধিগ্ৰহণ, পুনৰ সংস্থাপন, জীৱিকা আৰু উপাৰ্জন নিশ্চিতকৰণ আৰু অঞ্চলটোৰ সামূহিক উন্নতিকৰণ।

৮.২. পুজি যোগানৰ উৎস নিৰ্ণয় কৰা।

৮.৩. পুনৰ সংস্থাপন আচঁনিৰ অনুমোদনৰ ব্যৱস্থা কৰা।

৮.৪. নিয়মিয়া পুজি যোগান নিশ্চত কৰা আৰু তাৎক্ষনিক খৰচৰ সুবিধা কৰা।

ভূমি আধিগ্ৰহণ, সকলো হেৰুৱা বয় বস্তু, স্থানান্তৰণ আৰু পুনৰ সংস্থাপনৰ লগত জড়িত খৰচ, প্ৰসাসনিক খৰচ, পিয়ল, জৰীপ আৰু অনান্য কামৰ বাবে নিয়োজিত বেচৰকাৰী সংস্থাৰ খৰচ, ঘৰ, ভূমিৰ ভাৰা কাৰ্য্যকৰী সংস্থাই বহন কৰিব লাগিব। ভূমি আধিগ্ৰহণ আৰু পুনৰ সংস্থাপনৰ লগত জড়িত খৰচ উপ-প্ৰকল্পৰ এটা অবিচ্ছেদ্য খৰচ হিচাপে গন্য কৰা হয়। কাৰ্য্যকৰী সংস্থাই পুনৰ সংস্থাপনৰ লগত জড়িত খৰচৰ ধনৰাশি নিৰ্দ্দিষ্ট বিভাগত বিতৰণৰ বাবে জমা কৰিব আৰু উক্ত বিভাগ সমূহে সেই ধন ক্ষতিগ্ৰস্থ সকলক বিতৰণ কৰিব। কাৰ্য্যকৰী সংস্থাই পুনৰ সংস্থাপনৰ বাবে আৱশ্যকীয় ধনৰাশি তেওঁলোকৰ বাৰ্ষিক আচঁনিত আচুতিয়াকৈ ধাৰ্য্য কৰি ৰাখিব যাতে পুনৰ সংস্থাপন প্ৰক্ৰিয়া কোনোক্ষেত্ৰতে পলম নহয়।

## ৯. পুনৰ সংস্থাপন আচঁনি প্ৰয়োগ কৰন সূচী

যি কোনো ধৰনৰ নিৰ্ম্মান কাৰ্য্য আৰম্ভ কৰাৰ আগতে মাটি আধিগ্ৰহণ, স্থানান্তৰণ, পুনৰ সংস্থাপনৰ আৰু ক্ষতিপূৰণ আদিৰ কাম শেষ কৰিব লাগিব। পুনৰ সংস্থাপন আচঁনিৰ প্ৰয়োগৰ ক্ষেত্ৰত সন্নিবিষ্ট হৈ থকা বিষয় কেইটা হল ঃ

৯.১. জাননী জাৰী কৰা আৰু পুনৰ সংস্থাপনৰ দিন নিৰ্ধাৰণ কৰা।

৯.২. ক্ষয়-ক্ষতিৰ পৰমান নিৰ্ধাৰন আৰু ইয়াৰ প্ৰভাৱ।

৯.৩ ক্ষতিগ্ৰস্থ সকলক চিনাক্তকৰণ আৰু চিনাক্তকৰণ পত্ৰ প্ৰদান।

৯.৪ ক্ষতিগ্ৰস্থ সকলৰ লগত আলোচনা কৰি তেওঁলোকৰ প্ৰাথমিক প্ৰয়োজন সমূহ চিনাক্ত কৰা।

৯.৫ পুনৰ সংস্থাপন, ক্ষতিপূৰণ আৰু জীৱন যাপনত পূৰ্বৰ অৱস্থা প্ৰাপ্তিত সহায় কৰা।

## ১০. নিৰীক্ষণ আৰু মূল্যাঙ্কণ

**১০.১ আভ্যন্তৰীণ নিৰীক্ষণ ঃ PMU/ESMU/IA** ৰ ওপৰত আভ্যন্তৰীণ নিৰীক্ষণৰ দায়িত্ব ন্যস্ত থাকে। সেই আভ্যন্তৰীণ নিৰীক্ষণৰ দায়িত্ব সমূহ হলঃ

১০.১.১ প্ৰসাসনিক নিৰীক্ষণ ঃ দৈনিক আচঁনি প্ৰস্তুত কৰন, আচঁনি কাৰ্য্যকৰীকৰন, প্ৰতিক্ৰিয়া আহৰণ, ক্ষতিগ্ৰস্থৰ ব্যক্তিগত কামৰ তালিকা প্ৰস্তুত কৰি তাৰ খতিয়ান লোৱা।

১০.১.২ সামাজিক আৰু অৰ্থনৈতিক নিৰীক্ষণ ঃ ক্ষতিগ্ৰস্থৰ অৰ্থনৈতিক স্থিতি ভালদৰে পৰ্য্যালোচনা কৰা আৰু সম্ভৱ স্থলত ক্ষয়-ক্ষতিৰ পৰিমান কম কৰা।

১০.১.৩ ক্ষতিগ্ৰস্থৰ উপাৰ্জনৰ স্থিতি একে ৰখা বা উন্নত কৰা আৰু এই সকলোবোৰ প্ৰতিবেদন **PMU** ৰ জৰীয়তে **ADB** লৈ প্ৰেৰণ কৰা।

**১০.২ বাহ্যিক নিৰীক্ষণ ঃ** বাহ্যিক নিৰীক্ষণ আৰু মূল্যাঙ্কণৰ কাম কাৰ্য্যকৰি সংস্থাই বাহিৰা স্বাধীন সংস্থাক অৰ্পন কৰে। এই সংস্থাৰ পূৰ্বৰ অভিজ্ঞতা থাকিব লাগিব আৰু তেওঁলোকৰ আচঁনি ৰূপায়ণ প্ৰক্ৰিয়াৰ লগত কোনো সম্পৰ্ক থাকিব নালাগিব। তদুপৰি সংস্থাটোৰ চৰকাৰৰ পুনৰ সংস্থাপন আচঁনি আৰু **ADB** ৰ পুনৰ সংস্থাপন আচঁনিৰ বিষয়ে সাম্যক জ্ঞান থাকিব লাগিব। ঋণ অনুমোদনৰ তিনিমাহৰ ভিতৰত এনে সংস্থা নিযুক্তি দিব লাগিব। এনে সংস্থাই পুনৰ সংস্থাপন প্ৰক্ৰিয়াটো ভালদৰে পৰ্য্যবেশন কৰিব আৰু অধিগৃহিত মাটিৰ গৰাকীক উচিত মূল্য প্ৰাপ্তি নিশ্চিত কৰিবলৈ **PMU** ৰ লগত যোগাযোগ ৰাখিব। তদুপৰি **PMU/ESMU** মাজৰ সম্পৰ্কও এই সংস্থাটোৱে ভালদৰে পৰ্য্যবেশন কৰিব। এই সমুহৰ প্ৰতিবেদন বছৰত দুবাৰকৈ কাৰ্য্যকৰী সংস্থা **ASEB** আৰু **ADB** ক দাখিল কৰিব। আভ্যন্তৰীণ নিৰীক্ষণৰ প্ৰতিবেদন বছৰত চাৰিবাৰকৈ **ADB** ৰ **Indian Resident Mission (INRM)** লৈ আৰু বাহ্যিক নিৰীক্ষণৰ প্ৰতিবেদন বছৰত দুবাৰকৈ **Indian Resident Mission (INRM)** লৈ পঠিয়াব লাগিব।

### তলৰ তালিকাত এ.ডি.বি. আৰু ৰাষ্ট্ৰীয় আচঁনিৰ তুলনামূলক পৰ্য্যালোচনা কৰা হল ঃ

| Policy Principle | NRRP | LAA | ADB | Remarks |
|---|---|---|---|---|

| Policy Principle | NRRP | LAA | ADB | Remarks |
|---|---|---|---|---|
| Resettlement must be avoided wherever possible; and if unavoidable it should be minimized | √ | X | √ | i. LAA is applicable wherever private land is to be acquired by Government for public purpose<br>ii. NRRP 2007 meets ADB IR Policy requirements |
| Where population displacement is unavoidable, it should be minimized by exploring all viable project options | √ | X | √ | i. According to Chapter- II of NRRP 2007, it aims to minimize displacement and to promote, as far as possible, non-displacing or least-displacing alternatives<br>ii. NRRP 2007 meets ADB IR Policy requirements |
| Affected persons must be compensated to replace their lost assets and to restore/improve their living standards | √ | X | √ | i. Replacement value is not clearly identified in LAA.<br>ii. Loss of asset to be compensated to the extent of actual loss (refer Para 7.2 and Para 7.4.1)<br>iii. NRRP 2007 meets ADB IR Policy requirements |
| Affected persons should be fully involved and consulted in the planning and implementation of resettlement | √ | X | √ | i. NRRP 2007 ensure adequate rehabilitation package and expeditious implementation of the rehabilitation process with the consultation and active participation of the affected families (refer Para 2.1b )<br>ii. NRRP 2007 meets ADB IR Policy requirements |
| Compensation for lost assets must be on the basis of replacement cost | √ | X | √ | i. NRRP 2007 assures that the compensation award shall take into account the market value of the property being acquired (refer Para 6.22b)<br>ii. NRRP 2007 meets ADB IR Policy requirements |
| Transaction and transition costs is to be paid by the project authority | √ | X | √ | i. NRRP 2007 ensures that the stamp duty and other fees payable for registration of the land or house allotted to the affected families shall be borne by the requiring body (Refer Para 7.6)<br>ii. NRRP 2007 meets ADB IR Policy requirements |
| Wherever feasible land should be an option for compensating loss of land | √ | X | √ | i. Chapter VII of NRRP 2007 comprehensively deals with the land for land option (refer Para-7.4.1 and 7.4.2)<br>ii. NRRP 2007 meets ADB IR Policy requirements |

| Policy Principle | NRRP | LAA | ADB | Remarks |
|---|---|---|---|---|
| An RP should be prepared in every instance where involuntary resettlement occurs | √ | X | √ | i. NRRP 2007 emphasized the need to prepare R&R Plan (refer Para 3.1.t and Para 5.1)<br>ii. NRRP 2007 meets ADB IR Policy requirements |
| The RP must be revealed to the affected people before finalization | √ | X | √ | i. Chapter VI of NRRP deals with the disclosure of all the information at various stages of project in the local language to all the stakeholders (refer Para-6.2,, 6.6., 6.14.3,, and 6.15.1)<br>ii. NRRP 2007 meets ADB IR Policy requirements |
| Application of policy | i. The Indian NRRP only applies to projects displacing 400 families or more in plain areas and 200 families or more in hilly areas.<br>ii. However, the basic principles of the NRRP can also be applicable to all the projects involving involuntary displacement. | X | i. In all cases where involuntary resettlement occurs | i. NRRP 2007 meets ADB IR Policy requirements |
| Entitlements under the policy | i. NRRP 2007, comprehensively deals with all categories of impacts and provides adequate eligibility and entitlements<br>(Refer Chapter-VII) | X | i. Each impact must be defined and appropriate entitlements assigned on the basis of the basic principles of replacing lost assets and restoring livelihoods | i. NRRP 2007 meets ADB IR Policy requirements |
| Recognition of untitled persons such as squatters and encroachers | √ | X | √ | i. NRRP 2007 fully recognizes the non-titleholder families and ensure R&R benefits (refer Para 3.1.b.iii). However, the non title holders are supposed to be livening in the affected area not less than three years from the date of declaration of the area as project affected area.<br>ii. According to ADB's Policy, the date of the census survey can be considered as the proof for their eligibility as non titleholders. |
| Surveys and census required | √ | X | √ | i. Chapter-IV and VI of NRRP 2007 address the need for surveys and census of the affected families.<br>ii. NRRP 2007 meets ADB IR Policy requirements |

| Policy Principle | NRRP | LAA | ADB | Remarks |
|---|---|---|---|---|
| Social networks and cultural links should be preserved | √ | X | √ | i. This is emphasized in the policy (refer Para 6.10, Para 7.21.6) of NRRP, 2007.<br>ii. NRRP 2007 meets ADB IR Policy requirements |
| Recognition of vulnerable groups including indigenous people and the poor | √ | X | √ | i. According to NRRP, the vulnerable groups include, disabled, destitute, orphans, widows, unmarried girls, abandoned women or persons above fifty years of old (reefer Para- 6.4)<br>ii. In case of a project involving land acquisition on behalf of a requiring body which involves involuntary displacement of two hundred or more Scheduled Tribes families, a Tribal Development Plan shall be prepared (Refer Para 7.21.1 of NRRP 2007)<br>iii. NRRP, 2007 gives preference to STs in land allotment. Additional financial assistance is also defined for them. Their traditional rights to natural resources in the area will be recognized.<br>iv. NRRP 2007 meets ADB IR Policy requirements |
| Grievance Redress Procedure | √ | X | √ | i. Project involving involuntary resettlement needs to have Grievance redress mechanisms for affected people (refer Para 8.1.1 and Para 8.3.4)<br>ii. NPRR requires a Grievance Redress Cell to be set up under a Commissioner for R & R.<br>iii. NRRP 2007 meets ADB IR Policy requirements |
| Organization and Management of Resettlement | √ | X | √ | i. NRRP will set up a National Monitoring Committee chaired by the Secretary Department of Land Resources, under the Ministry of Rural Development and comprising seven other Secretaries.<br>ii. NRRP 2007 meets ADB IR Policy requirements |
| Common property resources should be replaced | √ | X | √ | i. NRRP 2007 meets ADB IR Policy requirements |

| Policy Principle | NRRP | LAA | ADB | Remarks |
|---|---|---|---|---|
| All costs relating to resettlement and rehabilitation must be borne by the requiring agency and included in project costs | √ | X | √ | i. NRRP 2007 ensure that the entire estimated cost of rehabilitation and resettlement benefits and other expenditure for rehabilitation and resettlement of the affected families is communicated to the requiring body for incorporation in the project cost (refer Para 6.16)<br>ii. NRRP 2007 meets ADB IR Policy requirements |
| Compensation and all the resettlement activities including the assistance and shifting should be made prior to displacement and start of work. | √ | X | | i. Full payment of compensation as well as adequate progress in resettlement shall be ensured in advance of the actual displacement of the affected families (refer Para 6.22.a)<br>ii. NRRP 2007 meets ADB IR Policy requirements |

*****************